# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-05-2024
**Time :** 18-45 Hrs

**Assamese Evening Bulletin**
***:::::::   :::::::   ::::::::   ::::::::***

১। চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অব্যাহত। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওড়িশাত নিৰ্বাচনী প্ৰচাৰ।

২। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা।

৩। অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ঘোষণা। মূল পৰীক্ষাৰ বাবে সৰ্বমুঠ দুহেজাৰ ৮৯৮গৰাকী পৰিক্ষাৰ্থীৰ যোগ্যতা অৰ্জন।

৪। ছোৱাইন ফ্লুত আক্ৰান্ত হৈ এটি শিশু মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা বুলি স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তৰ প্ৰকাশ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত পাঞ্জাব কিংছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ সামৰণিলৈ মাজত এটা দিন বাকী থকা অৱস্থাত প্ৰধান ৰাজনৈতিক দলসমূহৰ আগশাৰীৰ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ বাবে জনসাধাৰণৰ পৰা সমৰ্থন বিচাৰি প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আজি বিয়লি উত্তৰ প্ৰদেশৰ ফতেহপুৰ আৰু চিত্ৰকূটত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত শ্ৰীনাড্ডাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ প্ৰদেশত জনকল্যাণ আৰু দ্ৰুত বিকাশৰ পথ প্ৰশস্থ হৈছে। ৰাজ্যখনত নৱনিৰ্মাণ আৰু বুনিয়াদি

সেৰা খণ্ডত নতুন যুগৰ সূচনা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীনাড্ডাই আজি  চতুৰ্থ পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহৰ বিধায়ক আৰু বিধায়িনী পৰিষদৰ সদস্যসকলৰ সৈতে আলোচনাত মিলিত হ'ব। আনহাতে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজি বাহৰেইচ, ধৌৰাহৰা আৰু লখিমপুৰ খেৰীত প্ৰচাৰ চলায়। একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি তেলেংগানাৰ ভোনগিৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী ডং বুৰানৰশ্বৈইহা গৌড়ৰ হকে প্ৰচাৰ চলায়।

আনহাতে অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডং হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাত বিজেপিৰ হকে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে। আজিৰ প্ৰচাৰ অভিযানত তেওঁ নৱৰংগপুৰ লোকসভা সমষ্টিৰ মলকানগিৰিৰ লগতে চিত্ৰাকোন্দা আৰু খল্লিকোটত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী জনসভাত ভাষণ দিয়ে।

কংগ্ৰেছৰ দলৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও আজি ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত ভাগ লয়। তেওঁ নৰ্ছাপুৰ আৰু হায়দৰাবাদৰ উপকণ্ঠৰ ছাৰুৰ নগৰত এখন জনসভাত অংশ লয়। কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই আজি উত্তৰ প্ৰদেশৰ ৰায়বৰেলিত নিৰ্বাচনী প্ৰচাৰত ভাগ লয়। বি আৰ এছৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওৱে আজি কৰিমনগৰৰ এটা ৰোড শ্ব'ত অংশ লয়। দেশৰ মূল সমস্যাসমূহ আওকাণ কৰি ক্ষুদ্ৰ স্বাৰ্থৰ বাবে পাকিস্তানৰ লেখীয়া বিদেশী ৰাষ্ট্ৰৰ প্ৰসংগ অযথা টানি অনাৰ উপৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ দৰে বিষয়ক লৈ তেওঁ বিজেপি চৰকাৰক সমালোচনা কৰে।

০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। এই পৰ্যায়ৰ  বাবে মুঠ এহেজাৰ ৫৮৬ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল আৰু পৰীক্ষাৰ অন্তত ৭৪৯ খন মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ খন, মহাৰাষ্ট্ৰৰ ১৩ খন, পশ্চিমবংগৰ ৭খন, বিহাৰ আৰু ওড়িশাৰ ৫ খনকৈ, ঝাৰখণ্ডৰ তিনিখন আৰু জম্মু কাশ্মীৰ তথা লাডাখৰ এখনকৈ আসনৰ বাবে  অহা ২০ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

ইফালে ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। এই পৰ্যায়ৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮ টা সংসদীয় সমষ্টিত নিৰ্বাচন হ'ব।  দিল্লীৰ ৭ খন, হাৰিয়ানাৰ ১০, উত্তৰ প্ৰদেশৰ ১৪, বিহাৰ আৰু পশ্চিমবংগৰ ৮ খনকৈ, ওড়িশাৰ ৬খন, ঝাৰখণ্ডৰ ৪খন, জম্মু আৰু কাশ্মীৰৰ এখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। এইবাৰ শীৰ্ষস্থান অবিহনে এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। ফলাফল অনুসৰি কলা শাখাত ৮৯ দশমিক ১-৮ শতাংশ, বিজ্ঞান শাখাত ৮৯ দশমিক ৮-৮ শতাংশ, বাণিজ্য শাখাত ৮৭ দশমিক ৮-০ শতাংশ আৰু বৃত্তিমুখী শাখাত ৮৫ দশমিক ৭-৮ শতাংশ পৰিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা মতে এইবেলি পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ২ লাখ ৭৩ হাজাৰ ৯০৮ গৰাকী পৰিক্ষাৰ্থীৰ মাজৰ পৰা ২ লাখ ৪২ হাজাৰ ৭৯৪ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে।

ফলাফল অনুসৰি কলা শাখাত মুঠ ৪০ হাজাৰ ৪৯৯ গৰাকী প্ৰথম বিভাগত, ৬৫ হাজাৰ ৫৩২ গৰাকী দ্বিতীয় বিভাগত আৰু ৭২ হাজাৰ ৭৭৫ গৰাকী পৰিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত ২৩

হাজাৰ ৫৫২ গৰাকী প্ৰথম বিভাগত, ১৭ হাজাৰ ৩৩৯ গৰাকী দ্বিতীয় বিভাগত আৰু ৮ হাজাৰ ৬২ গৰাকী পৰিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। আনহাতে বাণিজ্য শাখাত ৫ হাজাৰ ৯১৫ গৰাকী প্ৰথম বিভাগত, ৬ হাজাৰ ৮৭ গৰাকী দ্বিতীয় বিভাগত আৰু ৩ হাজাৰ ১৯৪ গৰাকী পৰীক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে বৃত্তিমুখী শাখাত ১৬৩ গৰাকী প্ৰথম বিভাগত, ৪৪৫ গৰাকী দ্বিতীয় বিভাগত আৰু ১৪০ গৰাকী পৰীক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হয়।

ফলাফলত প্ৰকাশ পোৱা মতে এইবাৰৰ পৰীক্ষাত কলা শাখাত বাক্সা জিলাই প্ৰথম স্থান, নলবাৰী জিলাই দ্বিতীয় আৰু দৰং জিলাই তৃতীয় স্থান লাভ কৰিছে। আনহাতে বিজ্ঞান শাখাত তামুলপুৰ আৰু শিৱসাগৰ জিলাই প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে বাক্সা আৰু যোৰহাট জিলাই দ্বিতীয় স্থান আৰু বৰপেটা আৰু কামৰূপ জিলাই তৃতীয় স্থান লাভ কৰিছে। একেদৰে বাণিজ্য শাখাত বজালী জিলাই প্ৰথম স্থান, বাক্সা আৰু তামুলপুৰ জিলাই দ্বিতীয় স্থান আৰু বৰপেটা আৰু নগাঁও জিলাই তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি যোৰহাট জিলাত বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ হৈছে ৯৫ দশমিক ০-৪ শতাংশ। আনহাতে, কলা শাখাত উত্তীৰ্ণৰ হাৰ ৯৫ দশমিক ০-২ শতাংশৰ বিপৰীতে বাণিজ্য শাখাত এই হাৰ হৈছে ৮৬ দশমিক ৬-৫ শতাংশ। একেদৰে শোণিতপুৰ জিলাত বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা ৯ হেজাৰ ৩১০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৮ হাজাৰ ১৩১গৰাকী উত্তীৰ্ণ হৈছে। তামুলপুৰ জিলাৰ বাণিজ্য মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলেও ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ ১০৫গৰাকী পৰিক্ষাৰ্থীৰ ভিতৰত ৩২গৰাকীয়ে প্ৰথম বিভাগত, ৬৬গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ৭গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা মহানগৰীৰ কেইবাখনো শিক্ষানুষ্ঠানে ভাল ফলাফল দেখুৱাবলৈ সমৰ্থ হৈছে। ফলাফল অনুসৰি কটন বিশ্ববিদ্যালয়ৰ কলা শাখাত উত্তীৰ্ণৰ হাৰ ৯৭ শতাংশ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত এই হাৰ হৈছে ৯৬ দশমিক ৪ শতাংশ। মহানগৰীৰ তাৰিণী চৰণ চৌধুৰী চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ১০০ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হবলৈ সমৰ্থ হৈছে।

০০০

অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। মূল পৰীক্ষাৰ বাবে সৰ্বমুঠ দুহেজাৰ ৮৯৮গৰাকী পৰিক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ ভিতৰত ৭১৯গৰাকী মহিলা, ১০৬গৰাকী বিশেষভাৱে সক্ষম আৰু ১০২গৰাকী প্ৰাক্তন সৈনিক পৰিক্ষাৰ্থীও আছে। পোনপ্ৰথমবাৰৰ বাবে পৰীক্ষাটোত মৰাণ, মটকৰ বাবে সংৰক্ষণ কৰা পদৰ বিপৰীতেও প্ৰাৰ্থীয়ে মূল পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যৰ ৩২খন জিলাৰ ১১৬টা কেন্দ্ৰত সৰ্বমুঠ ২৩৫টা পদৰ বিপৰীতে অনুষ্ঠিত হোৱা এই পৰীক্ষাত ৬৭ হাজাৰ ২৯১গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। আয়োগৰ এক বিবৃতি অনুসৰি জুলাই মাহৰ শেষ ভাগত মূল পৰীক্ষা অনুষ্ঠিত হ'ব। মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়াতো উপলব্ধ হ'ব। পৰিক্ষাৰ্থীসকলে অসমীয়া মাধ্যমতো উত্তৰসমূহ লিখিব পাৰিব।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণৰাজ্য দিৱসৰ দিনা এই

বঁটাসমূহ ঘোষণা কৰা হয়। যোৱা ২২ এপ্ৰিলত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তিনিগৰাকী ব্যক্তিক পদ্মবিভূষণ, ৮ গৰাকীক পদ্মভূষণ আৰু ৫৫ গৰাকী ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

ব্ৰহ্মপুত্ৰৰ জলস্তৰ সামান্য নিম্নগামী হোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰীসেৱা আজি পুনৰ আৰম্ভ কৰা হৈছে। জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে যোৱা ৬ মে'ৰ পৰা ফেৰী সেৱা বন্ধ হৈ আছিল। আজি উত্তৰ গুৱাহাটীৰ ৩ টা ঘাট, মধ্যমখণ্ড, ৰজাদুৱাৰ আৰু মাজগাঁও ঘাটৰ পৰা ফেৰী সেৱা আৰম্ভ হয়। উল্লেখযোগ্য অভ্যন্তৰীণ জল পৰিবহন বিভাগে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৩ দিন ফেৰী সেৱা বন্ধ ৰখাৰ ফলত যাত্ৰীসকলৰ সমস্যাৰ সৃষ্টি হৈছিল।

০০০

ছোৱাইন ফ্লুত আক্ৰান্ত হৈ বৰাক উপত্যকাত কালি এটি শিশু মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা বুলি ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত জনসাধাৰণক আতংকিত নহবলৈ আহ্বান জনাইছে। লগতে তেওঁ ছোৱাইন ফ্লুৰ সংক্ৰমণ নিশ্চিত কৰি লইয়াৰ আনুসঙ্গিক ঠাইসমূহৰ বিভিন্ন ব্যক্তিৰ শৰীৰৰ পৰীক্ষাৰ লগতে সজাগতা সৃষ্টিৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহতো প্ৰাৰম্ভিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ জানিবলৈ দিছে। আনহাতে, ডিব্ৰুগড়ত কলেৰা সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নত শ্ৰীমহন্তই এই বিষয়টোত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশনা দিয়া বুলি অৱগত কৰে।

০০০

নলবাৰী জিলাৰ দক্ষিণগাঁৱত স্থাপন কৰা নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত আজি চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰথম বৰ্ষপূৰ্তি উৎসৱ উদযাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰি শ্ৰীমন্ত শংকৰদেৱ চিকিৎসা মহাবিদ্যালয়ৰ উপাচাৰ্য ডাঃ ধ্ৰুৱজ্যোতি বৰাই মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলক ৰাইজৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, চিকিৎসা মহাবিদ্যালয়খনে পৰৱৰ্ত্তী সময়ত এইমছৰ সৈতে মিলিত হৈ শৈক্ষিক আৰু কাৰিকৰী দিশত সেৱা আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। মহাবিদ্যালয়খনৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণীয়ে এই কথা প্ৰকাশ কৰে। চিকিৎসা মহাবিদ্যালয়খনলৈ শিক্ষকৰ আদান-প্ৰদানৰ লগতে কাৰিকৰী আৰু জটিল অস্ত্ৰোপচাৰৰ ক্ষেত্ৰত এইমছে সহায় কৰিব বুলি তেওঁ কয়।

০০০

তামুলপুৰ জিলাৰ অন্তৰ্গত এন কে দৰঙাত আজি মাদকদ্ৰব্যৰ বিৰুদ্ধে এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাখনৰ জৰিয়তে ভাৰত-ভূটান সীমান্তৰ এন কে দৰঙাত চলি থকা মাদক দ্ৰব্যৰ বেহাৰ লগতে তিৰ, জুৱা আদিৰ বিৰুদ্ধে ৰাইজক সজাগ কৰাৰ প্ৰয়াস গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি সভাত অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ কেইবাটাও কাৰ্যপন্থা গ্ৰহণ কৰাৰ লগতে সন্দেহজনক ব্যক্তিক দেখিলে প্ৰশাসনক খবৰ দিবলৈ ৰাইজক আহ্বান জনোৱা হয়।

০০০

গোলাঘাট জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ আয়ুক্তই বিভাগীয় মুৰববীসকলক সাপ্তাহিক প্ৰতিবেদনসমূহ নিয়মীয়াকৈ দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে জিলাখনত সঘনাই  সংঘটিত হৈ থকা দুৰ্ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। তেওঁ লগতে পূৰ্বৰ প্ৰতিবেদনত উল্লেখিত ব্যৱস্থাসমূহৰ বাকী ৰৈ যোৱা কামসমূহ শীঘ্ৰে সমাপ্ত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। লগতে গোলাঘাট নগৰৰ মাজেদি চলাচল কৰা দাম্পাৰসমূহৰ প্ৰৱেশৰ সময়সূচী সাল সলনি কৰিবলৈ  তেওঁ নিৰ্দেশ দিয়ে।

০০০

অসম নাগালেণ্ড সীমান্তৰ নিমনাগড়ৰ চিংফাং অঞ্চলত আজি চি আৰ পি এফে দুজন যুৱকক অস্ত্ৰসহ আটক কৰে। যুৱক দুজনৰ পৰা এটা ৯ এম এম পিষ্টল আৰু ৫ জাই গুলি জব্দ কৰা হৈছে। জানিব পৰা মতে, নাগালেণ্ডৰ যুৱকজনে পিষ্টল বিক্ৰী কৰিবলৈ চিংফাঙলৈ অহাৰ সম্ভেদ পাই চি আৰ পি এফৰ দলে অভিযান চলাই যুৱক দুজনক আটক কৰে। সম্প্ৰতি দুয়োজনকে মথুৰাপুৰ থানাত গটাই দিয়াৰ লগতে জেৰা কৰি থকা হৈছে।

০০০

সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ তৰাবাৰী হাতীবান্ধা আঞ্চলিক সমিতি আৰু টংলা আঞ্চলিক আক্ৰাছুৰ উদ্যোগত অহা ১১ মে'ত দিনযোৱা কাৰ্যসূচীৰে তৰাবাৰীত বিছুৱা উৎসৱৰ লগতে জনগোষ্ঠীয় সাংস্কৃতিৰ সমাৰোহৰ আয়োজন কৰা হৈছে। সেইদিনা সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছত স্মৃতি তৰ্পন আৰু গছপুলি ৰোপণ আৰু মুকলি সভা অনুষ্ঠিত হ'ব। সন্ধিয়া সাংস্কৃতিক সমাৰোহত বিভিন্ন জনগোষ্ঠীয় অনুষ্ঠান পৰিবেশন কৰা হ'ব।

০০০

আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ উদ্যোগত গুৱাহাটী নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফকুন ইনডৰ ষ্টেডিয়ামত কাইলৈৰ পৰা তিনি-দিনীয়াকৈ অষ্টম নৰ্থ-ইষ্ট ছিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। উত্তৰ-পূবৰ লগতে ভূটান, নেপালৰ খেলুৱৈয়ে এই চেম্পিয়নশ্বিত অংশ ল'ব। আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত আৰক্ষী সেৱাৰ বিষয়া প্ৰদীপ কুমাৰে এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। আয়োজকসকলৰ মতে কাইলৈ সন্ধিয়া ৬ বজাত চেম্পিয়নশ্বিপৰ উদ্বোধনী অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং উপস্থিত থাকিব। প্ৰতিযোগিতাসমূহ ছটা শাখাত অনুষ্ঠিত হ'ব। দুজন খেলুৱৈৰ বয়স যোগ কৰাৰ ভিত্তিত এই শাখাসমূহ নিৰ্ধাৰণ কৰা হ'ব। আনহাতে, ৭৫ বছৰ উৰ্ধৰ শাখাত আন এটা মিক্সড ডাবল শাখা অনুষ্ঠিত হ'ব। খেলখনত পুৰস্কাৰৰ হিচাপে ৪ লাখ টকা ধাৰ্য কৰা হৈছে। অহা ১২ মে'ত চেম্পিয়নশ্বিপৰ সামৰণি পৰিব। প্ৰতিযোগিতাত কমেও ২৫০গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব বুলি সভাপতিগৰাকীয়ে  জানিবলৈ দিছে। আজিৰ এই সংবাদ মেলত আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ সাংগাঠনিক সম্পাদক বিষ্ণু ডেকা, অসম বেডমিণ্টন সন্থাৰ সম্পাদক তথা ভাৰতীয় বেডমিণ্টন সন্থাৰ যুটীয়া সম্পাদক ওমৰ ৰছিদ, মানস প্ৰতীম শৰ্মাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১০ উইকেট পৰাস্ত কৰে।

০০০

ভাৰতৰ খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে ভেজাল খাদ্য চিনাক্তকৰণ আৰু ইয়াৰ বিক্ৰী ৰোধ কৰাৰ উদ্দেশ্যে শেহতীয়াকৈ কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্যে প্ৰাধিকৰণে খাদ্য পৰীক্ষা নিৰ্দেশনা পুথি মুকলি কৰাৰ লগতে খাদ্য পৰীক্ষা কৰা বাহন আৰু সজুলিৰ জৰিয়তে ভেজাল খাদ্য প্ৰতিৰোধ কৰাৰ ব্যৱস্থা লৈছে।

ভেজাল চিনাক্তকৰণ পুথিৰ সহায়ত উপভোক্তাই ঘৰৰ খাদ্য সামগ্ৰীত সাধাৰণতে হোৱা ভেজাল চিনাক্ত কৰিব পাৰিব। ইয়াৰ  সহায়ত গাখীৰ, তেল, চেনি, মছলা আদিৰ ভেজালকৰণ চিনাক্ত কৰিব পাৰিব। প্ৰাধিকৰণে **ফুড ছেফ্টী অন হুইলছ** শীৰ্ষক ব্যৱস্থাৰে খাদ্য কঢ়িওৱা ভ্ৰাম্যমান বাহনত খাদ্য সামগ্ৰীৰ ভেজাল ক্ষীপ্ৰতাৰে ধৰা পেলাবলৈ সমৰ্থ হ'ব। ইয়াৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে খাদ্য সুৰক্ষা প্ৰাধিকৰণে **ফুড ছেফ্টী মেজিক বক্স** নামৰ খাদ্য সুৰক্ষা পৰীক্ষা কিট এটা মুকলি কৰিছে। এই কিটৰ সৰু বাকচটোত এখন নিৰ্দেশনা পুথিও দিয়া হৈছে আৰু ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে খাদ্য সামগ্ৰীৰ ভেজাল ধৰা পেলাবলৈ ১০০টা পৰীক্ষা সম্পন্ন কৰিব পাৰিব। সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজত খাদ্য সামগ্ৰীক লৈ সজাগতা সৃষ্টি কৰাৰ বাবে খাদ্য সুৰক্ষা প্ৰাধিকৰণে এনেধৰণৰ ব্যৱস্থা লৈছে।

০০০

ঃঃ সমাপ্ত ঃঃ